# উদয় কুমাৰ বৰুৱাৰ কবিতা

Issue: Vol. IV, No. 2, August-October, 2025

**দুখৰ অনন্য অনুবাদ**

ইয়াতে এদিন তুলনা কৰিছিলা
সাতোটি নক্ষত্ৰৰ এন্ধাৰেৰে
দুখৰ গভীৰতা

সেইদিনা শান্ত বতাহজাক হঠাৎ
উন্মাদ হৈছিল
আৰু যুদ্ধৰ বিভীষিকা দেখি
বুদ্ধৰ চকুত উচুপি উঠিছিল
উদিত সূৰ্য

আনকি সাতোটি পাহাৰৰ শোভায়ো
ৰঙীয়াল কৰিব পৰা নাছিল
চিয়াঙৰ গাভৰুবোৰৰ মন

তুমি মোক সুধিছিলা সিহঁতৰ হেলনীয়া কপালত জিলিকি উঠা
উদ্বিগ্নতাৰ ৰেখাবোৰ ক'ৰ
মই কৈছিলোঁ সেইবোৰ দুখৰ অনন্য অনুবাদ

তুমি হয়তো নেজানিছিলা সাতোখন অৰণ্যৰ
ঘূৰণীয়া সপোনবোৰৰ মাজত
ময়ো যে নিজকে বিচাৰি আছিলোঁ।

কিন্তু কি আশ্বৰ্য
কথা আছিল তোমাৰ সোঁৱৰণীৰ
আচ্ছাদিত আকাশত
এটি অৱয়ব হোৱাৰ
সমুদ্ৰত অৱগাহন কৰা
তৰাৰ দৰ
সমাহিত
শীতল
নিৰ্জন
চিৰন্তন।

**এটা শিলৰ আত্মকথা**

স্বগতোক্তিৰ বাদে অন্তৰাত্মাক শান্ত কৰিবলৈ
আপাততঃ একাকী গছজোপাৰ আছেনো কি?

শিপাত মেৰখাই থকা শিলটোকো

কোৱা নাই তাৰ জন্ম ৰহস্য

বাঢ়ি অহা এখন বৃশৃঙ্খল চহৰতে এতিয়া
তাৰ স্থূল প্ৰাত্যহিকতা

শূন্যত অনৰ্গল ওলমি থকা এটা
প্ৰশ্ন : এয়া সৃজনৰ আৱেগ নে
থহি পৰা চেতনাৰ চুড়ান্ত অৱনমন

চকুৰ শীতলতাত তাৰ মৰীচিকাই
গিলি থোৱা এখন সতেজ অৰণ্য

সেই অৰণ্যৰ গৰ্ভজাত দুখেই এদিন তাক
প্ৰসৱ কৰিছিল শিল কৰি
যিদিনা আকাশে কান্দিছিল
হেৰুৱাই ছন্দোময় আবেদন

স্তব্ধ হৈছিল ঘাতক সময়ে ভীত কৰা
গধূলিটোৰ মৌন আলাপ শিলটোৰ স'তে
অথচ সি কামনা কৰিছিল তাক শিল কৰি গঢ়ি তোলা
আৰণ্যক দুখবোৰ হওক পোহৰৰ নিছিগা ধাৰ

সমাগত সময়ৰ বুকুত গজি উঠক
জীৱনমুখী এখন নতুন অৰণ্য

যাৰ ধ্ৰুপদী ঠিকনা হ'ব মাটি পানী
আৰু চিৰন্তন আকাশৰ সংবেদী হৃদয়